নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

সংকলনখন উন্মোচন কৰে জননী শাখা সাহিত্য   স্থানীয় লোকসকল সভাত উপস্থিত থাকে।

গত

উঁলোকক উৎসাহ
, উপদেষ্টা বিচিত্ৰ
লক্ষ্মী কলিতাই।
দলটোৰ লগত
াজৰিকা, অঞ্জল
াংশু হাজৰিকা,
ংগনা হাজৰিকা,
কবৰ্ত, প্ৰিয়ব্ৰত
দত্ত, দেৱাশ্ৰী
া বৰা, পূৰ্ণিমা
বৰা। হেঁপাহৰ
শিল্পীসকলৰ
ল আশা কৰিছে।

## ডিব্ৰুগড়ত অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# সাহিত্যিকসকলে সমাজৰ উত্তৰণৰ হকে কাম কৰা উচিত

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ এপ্ৰিল ঃ** লেখক-সাহিত্যিকসকলে প্ৰতি জাতি-জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ উত্তৰণৰ হকে কাম কৰা উচিত। সাহিত্যিকসকলে সমাজৰ মাজত বিভেদ সৃষ্টি কৰা, সমাজ ধ্বংস কৰা কামত কেতিয়াও ব্ৰতী হোৱা উচিত নহয়। সাহিত্যিকসকলে প্ৰতি জাতি, জনগোষ্ঠী, সম্প্ৰদায়, ধৰ্মৰ মাজত সমন্বয়ৰ সৃষ্টি কৰা প্ৰয়োজন। নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ ডিব্ৰুগড় শাখাৰ উদ্যোগত অনুষ্ঠিত হোৱা সংগঠনটোৰ শতবৰ্ষৰ সামৰণী উৎসৱত ভাগ লৈ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয় — প্ৰতিজন লেখক, সাহিত্যিক সমাজৰ প্ৰতি দায়বদ্ধশীল হোৱা উচিত। সাহিত্যিকসকলে সত্যৰ বাট দেখুৱাই সমাজক আগুৱাই নিয়া প্ৰয়োজন। তেওঁ কয়— সাহিত্যিকসকলে নিজৰ ভাষা, সংস্কৃতিৰ লগতে আনৰো ভাষা, সংস্কৃতি সমানভাৱে আগুৱাই নিয়াত সহায় কৰিলেহে এখন দেশৰ প্ৰগতি সম্ভৱ। বঙালীয়েই হওক, অসমীয়াই হওক জাতিটোক কেনেদৰে মহীয়ান কৰিব পাৰিছে সেয়াহে গুৰুত্বপূৰ্ণ বুলিও তেওঁ কয়। অনুষ্ঠানত শেখৰ চক্ৰৱৰ্তীৰ সম্পাদনাত ডিব্ৰুগড় শাখাই প্ৰকাশ কৰা 'আনন্ত্য' স্মৃতিগ্ৰন্থ উন্মোচন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ অধ্যাপক সঞ্জয় ভট্টাচাৰ্যই কয়— বঙালীসকলে অসমীয়া ভাষাৰ উত্তৰণৰ হকে কাম কৰিব লাগিব আৰু অসমীয়াসকলেও বঙালী ভাষাৰ উত্তৰণৰ হকে কাম কৰিব লাগিব। বঙালী, অসমীয়া সকলোৱে একেলগে মিলি হাতে হাত ধৰি আগুৱাই গ'লেহে সমাজৰ প্ৰগতি হ'ব। তেওঁ কয়— কোনো এটা গোষ্ঠী অথবা সম্প্ৰদায় কেতিয়াও এককভাৱে আগুৱাই যাব নোৱাৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, সাহিত্যিক ভীমকান্ত বৰুৱাই সমন্বয়ৰ যোগেদি দুয়োটা জাতিয়েই আগুৱাই যোৱা প্ৰয়োজন বুলি উল্লেখ কৰি কয়— সকলোৱে এনে দিশবোৰ অনুভৱ কৰা প্ৰয়োজন। অলক সৰকাৰে আঁতধৰা সভাখনত পৌৰোহিত্য কৰে নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ ডিব্ৰুগড় শাখাৰ সভাপতি পৰিমল মুখোপাধ্যায়ে। সভাত নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ উত্তৰ-পূৰ্বাঞ্চলৰ উপ-সভাপতি অজিত পাল, সমাজকৰ্মী নিৰ্মলকান্তি শীলকে প্ৰমুখ্য কৰি পৌৰপতি চৈকত পাত্ৰ, শাখা সচিব সুতপা চৌধুৰীৰ লগতে শতাধিক ৰাইজ উপস্থিত থাকে। এইউপলক্ষে সাংস্কৃতিক কাৰ্যসূচীও সম্পন্ন কৰা হয়।